# ICFRE-RFRI, JORHAT NATIONAL LEVEL TRAINING ON AGARWOOD

**ICFRE-RAIN FOREST RESEARCH INSTITUTE, JORHAT (ASSAM)** successfully conducted three-day long Skill Development Training on Agarwood Cultivation and Artificial Inoculation at its Campus during 30 January to 1 February, 2023. The Training was attended by 18 participants from six States of India, namely Kerala, Andhra Pradesh, Maharashtra, Meghalaya, Manipur and Assam**.** Dr. R. K. Borah, Director of the Institute welcomed Trainees.

First technical session on 'Agarwood: Its importance, Nursery and Cultivation Management' was conducted by Shri Satyam Bordoloi, Scientist of the Institute. Few other wide ranges of topics such as Artificial Induction of Agarwood, Legal requirements for cultivation, export of Agarwood etc were dealt by Dr. R. K. Borah. Hands-on sessions on artificial inoculation were demonstrated during the training programme by Kajal Gupta, Sumona Chetia, Nimisha Baruah and Geetashri Borah.

Field visit to agar plantations and distillation unit at Namti, Sivasagar District was also conducted during the training.

Certificates were distributed to the participants at the Valedictory Session which was chaired by R. P. Agarwalla, former PCCF, Assam. In his Valedictory speech, Shri Agarwalla stressed on large scale plantation of Agar, export of diverse products, registration of plantations and also to arouse political will for betterment of Agar sector.

Shri R. K. Kalita, Head, Extension Division, RFRI, Jorhat meticulously planned and executed the training programme.

## GLIMPSES OF THE TRAINING



















Organized by
वर्षा वन अनुसंधान संस्थान


LiFE
Lifestyle For Environment
SKILL DEVELOPMENT TRAINING ON AGARWOOD


LiFE
Lifestyle For Environment
SKILL DEVELOPMENT TRAINING ON AGARWOOD


LiFE
Lifestyle For Environment
SKILL DEVELOPMENT TRAINING ON AGARWOOD


LiFE
Lifestyle For Environment
SKILL DEVELOPMENT TRAINING ON AGARWOOD


LiFE
Lifestyle For Environment
SKILL DEVELOPMENT TRAINING ON AGARWOOD
CULTIVATION AND ARTIFICIAL INOCULATION
Duration : January 30 to February 1, 2023
Organized by
वर्षा वन अनुसंधान संस्थान

# MEDIA COVERAGE

## বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত সাঁচি গছৰ ওপৰত তিনিদিনীয়া প্ৰশিক্ষণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ২৩ জানুৱাৰী ঃ** সাঁচি গছৰ বৰ্ধিত গুৰুত্বলৈ লক্ষ্য ৰাখি যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে অহা ৩০, ৩১ জানুৱাৰী আৰু ১ ফেব্ৰুৱাৰীত এটি প্ৰশিক্ষণ কাৰ্যসূচী আয়োজন কৰিছে। এই কাৰ্যসূচীত সাঁচিগছৰ পুলি বাগান প্ৰস্তুতকৰণ, সাঁচিগছৰ বাগান গঢ়ি তোলাৰ আৰু পূৰঠ গছত কৃত্ৰিমভাৱে ভেঁকুৰ সংস্থাপন কৰি কেনেকৈ আগৰ তেল উৎপন্ন কৰা হয় তাৰ ওপৰত বিস্তাৰিতভাৱে হাতে-কামে কৰি দেখুৱাই প্ৰশিক্ষণ দিয়া হ'ব। অসম তথা ভাৰতৰ বিভিন্ন ৰাজ্যৰ ইচ্ছুক ব্যক্তিয়ে এই প্ৰশিক্ষণত অংশ গ্ৰহণ কৰিব পাৰিব। এই প্ৰশিক্ষণত থকা আৰু খোৱাৰ সুবিধা প্ৰদান কৰা হ'ব। অৱশ্যে ইয়াৰ বাবদ প্ৰশিক্ষণ মাচুল আদায় কৰিব লাগিব। সকলো কথা জানিবৰ বাবে ইচ্ছুক ব্যক্তিসকলক অতি সোনকালে প্ৰতিষ্ঠানৰ সম্প্ৰসাৰণ বিভাগৰ মুৰব্বীৰ লগত ৯৪৩৫৩৫১৭৩৬ নম্বৰত যোগাযোগ কৰিবৰ বাবে আহ্বান জনোৱা হৈছে।

The Assam Tribune | Date 24 Jan 2023

দৈনিক অসম

## বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত প্ৰশিক্ষণ

নিজা বাতৰি দিওঁতা

**টীয়ক, ২৩ জানুৱাৰী ঃ** বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত অহা ৩০ জানুৱাৰীৰপৰা ১ ফেব্ৰুৱাৰীলৈ সাঁচিগছৰ পুলিবাগান প্ৰস্তুতকৰণ আৰু আগৰ তেল উৎপন্ন কৰা বিষয়ত প্ৰশিক্ষণ দিয়া হ'ব। ইচ্ছুক ব্যক্তিসকলে প্ৰতিষ্ঠানৰ সম্প্ৰসাৰণ বিভাগৰ মুৰব্বীৰ লগত ৯৪৩৫৩৫১৭৩৬ নম্বৰত যোগাযোগ কৰিব পাৰিব।

## প্ৰশিক্ষণৰ আয়োজন

**যোৰহাট ঃ ২২ জানুৱাৰী ঃ** সাঁচিগছৰ বৰ্ধিত গুৰুত্বলৈ লক্ষ্য ৰাখি যোৰহাটস্থিত বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে ৩০, ৩১ জানুৱাৰী আৰু ১ ফেব্ৰুৱাৰীত এটা প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰিছে। এই কাৰ্যসূচীত সাঁচিগছৰ পুলিবাগান প্ৰস্তুতকৰণ, সাঁচিগছৰ বাগান গঢ়ি তোলা আৰু পূৰঠ গছত কৃত্ৰিমভাৱে ভেঁকুৰ সংস্থাপন কৰি কেনেকৈ 'আগৰ তেল' উৎপন্ন কৰা হয়, তাৰ বিষয়ত বিস্তাৰিতভাৱে হাতে-কামে কৰি দেখুৱাই প্ৰশিক্ষণ দিয়া হ'ব। অসম তথা ভাৰতৰ বিভিন্ন ৰাজ্যৰ ইচ্ছুক ব্যক্তিসকলে এই প্ৰশিক্ষণত অংশগ্ৰহণ কৰিব পাৰিব। এই প্ৰশিক্ষণত থকা-খোৱাৰ সুবিধা প্ৰদান কৰা হ'ব। অৱশ্যে ইয়াৰ বাবত প্ৰশিক্ষণ মাচুল প্ৰদান কৰিব লাগিব। সবিশেষ জানিবৰ বাবে ইচ্ছুক ব্যক্তিসকলক অতি সোনকালে প্ৰতিষ্ঠানৰ সম্প্ৰসাৰণ বিভাগৰ মুৰব্বীৰ ৯৪৩৫৩৫১৭৩৬ নম্বৰত যোগাযোগ কৰিবৰ বাবে আহ্বান জনোৱা হৈছে।

## RFRI, Jorhat to organize skill development training on Agarwood

**JORHAT:** Jorhat-based Rain Forest Research Institute is going to Conduct a three-day skill Development training on the cultivation of Agarwood and its artificial Inoculation for Agar oil production from 30 Jan to 1st February 2023 at its campus. In this training program, various activities related to Agarwood nursery production, development of Agarwood plantation, Artificial Inoculation technique for Agar oil development, etc. will be taught. The field visit will also be conducted to Agarwood planters and traders. The Institute will provide lodging and boarding facilities during the training. However, participants have to pay training fees for the training. Interested persons have been requested to contact the Head Extension division, RFRI Jorhat at 9435 35 1736 to get detailed information.

## বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত সাঁচি গছৰ ওপৰত তিনিদিনীয়াকৈ প্ৰশিক্ষণৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২২ জানুৱাৰী ঃ** সাঁচি গছৰ বৰ্ধিত গুৰুত্বলৈ লক্ষ্য ৰাখি যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে ৩০, ৩১ জানুৱাৰী আৰু ১ ফেব্ৰুৱাৰী তাৰিখে এটি প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰিছে। এই কাৰ্যসূচীত সাঁচিগছৰ পুলিবাগান প্ৰস্তুতকৰণ, সাঁচিগছৰ বাগান গঢ়ি তোলাৰ আৰু পূৰঠ গছত কৃত্ৰিমভাৱে ভেঁকুৰ সংস্থাপন কৰি কেনেকৈ আগৰ তেল উৎপন্ন কৰা হয় তাৰ ওপৰত বিস্তাৰিতভাৱে হাতে-কামে কৰি দেখুৱাই প্ৰশিক্ষণ দিয়া হ'ব। অসম তথা ভাৰতৰ বিভিন্ন ৰাজ্যৰ ইচ্ছুক ব্যক্তিয়ে এই প্ৰশিক্ষণত অংশগ্ৰহণ কৰিব পাৰিব। এই প্ৰশিক্ষণত থকা আৰু খোৱাৰ সুবিধা প্ৰদান কৰা হ'ব। অৱশ্যে ইয়াৰ বাবদ প্ৰশিক্ষণ মাচুল আদায় কৰিব লাগিব। সকলো কথা জানিবৰ বাবে ইচ্ছুক ব্যক্তিসকলক অতি সোনকালে প্ৰতিষ্ঠানৰ সম্প্ৰসাৰণ বিভাগৰ মুৰব্বীৰ লগত ৯৪৩৫৩৫১৭৩৬ ফোন নম্বৰত যোগাযোগ কৰিবৰ বাবে আহ্বান জনোৱা হৈছে।

